REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

Date : 27-01-2026
Time : 21-25 Hrs

ASSAMESE NIGHT BULLETIN

::

ৰাজ্য চৰকাৰে সচিবালয়ৰ ভিতৰত এটা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰি আছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে। গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ নৱতম সংযোজন শ্ৰী শ্ৰী দামোদৰদেৱ আন্তঃজাতিক প্ৰেক্ষাগৃহ মুকলি কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে নতুন প্ৰেক্ষাগৃহটিয়ে ৰাজ্যৰ সাংস্কৃতিক পৰিকাথামোক অধিক শক্তিশালী কৰি তুলিব। তেওঁ কয় যে শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শক সাৰোগত কৰি অসম চৰকাৰে বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয় স্থাপনেৰে সচা অৰ্থত বৰ অসম গঢ়ি তোলাৰ লক্ষ্যৰে প্ৰচেষ্টা চলাই আহিছে। এই ক্ষেত্ৰত তেওঁ জনসাধাৰণৰ সহযোগিতা কামনা কৰে।

৫২ কোটি টকা ব্যয়ৰে সাজি উলিওৱা শ্ৰী দামোদৰদেৱ আন্তঃজাতিক প্ৰেক্ষাগৃহটিত আধুনিক তথা আন্তঃৰাষ্ট্ৰীয় মানৰ বিভিন্ন সা-সুবিধা সন্নিৱিষ্ট কৰা হৈছে। ৮০০ খন আসন বিশিষ্ট প্ৰেক্ষাগৃহটোত অত্যাধুনিক সন্মিলন কক্ষ, উন্নতমানৰ আলোক আৰু শব্দ প্ৰযুক্তি, দিব্যাংগ লোকসকলৰ বাবে মঞ্চত আৰোহণৰ সুবিধাৰ্থে বিশেষ লিফ্ট, অত্যাধুনিক থিয়েটাৰ অভিজ্ঞতা কেন্দ্ৰ আদিৰ ব্যৱস্থা থাকিব। এই প্ৰেক্ষাগৃহটো কাৰিকৰীভাৱে বিশ্বমানৰ হ'ব বুলি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে প্ৰকাশ কৰে।

বাইট

ooooo

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে অহা ৩০ জানুৱাৰীত ডিব্ৰুগড়ত নিৰ্মাণ হ'বলগীয়া ৰাজ্যৰ দ্বিতীয় বিধানসভা চৌহদটিৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই প্ৰকল্পই ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টাত অধিক গতিশীল কৰি তুলিব আৰু সুশাসন ব্যৱস্থাক জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাত বিশেষ ভূমিকা পালন কৰিব।

ooooo

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই আজি কলিয়াবৰ চাহ বাগিছাৰ ৪৯৩ আৰু সোণাৰী বাগিছাৰ ৫৫২ গৰাকী চাহ শ্ৰমিকৰ মাজত মুখ্যমন্ত্ৰীৰ এটি কলি দুটি পাত আঁচনিৰ অধীনত ৫ হাজাৰ টকাকৈ চেক বিতৰণ কৰে।

এই আঁচনিৰ অধীনত আজি তিতাবৰ সমজিলাতো চেক বিতৰণ কৰা হয়। অনুষ্ঠানত ধুলি চাহ বাগিছা, দাকলিঙিয়া চাহ বাগিছা, গোবিন্দপুৰ চাহ বাগিছা, গোটাংগা চাহ বাগিছাকে ধৰি সমজিলাখনৰ চাহ বাগিছাসমূহৰ শ্ৰমিকসকলৰ মাজত চেক বিতৰণ কৰা হয়। অনুষ্ঠানত বিজেপিৰ জিলা সভাপতি শান্তনু পুজাৰী উপস্থিত থাকে।

ooooo

বৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকা অকল অসম, পশ্চিমবংগ বা ভাৰতৰ নহয় বৰং প্ৰকৃত অৰ্থত বিশ্বশিল্পী। অসম প্ৰকাশন পৰিষদৰ উদ্যোগত ৪৯ সংখ্যক আন্তৰ্জাতিক কলকাতা গ্ৰন্থমেলা আয়োজন কৰা ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি কলকাতাৰ প্ৰকাশক আৰু পুথি বিক্ৰেতা গীল্ডৰ সচিব ত্ৰিদীপ চেটাৰ্জীয়ে আজি এইদৰে মন্তব্য কৰে। তেওঁ কয় যে মানৱতাৰ সুৰধবনিৰ পৰিধি ভাঙি মানৱ

সমাজৰ সম্প্ৰীতি শিল্পীগৰাকীৰ সৃষ্টিৰ মূল দৰ্শন। অনুষ্ঠানত অংশগ্ৰহণ কৰি সাহিত্য একাডেমী সন্মান প্ৰাপক ঔপন্যাসিক, সাংবাদিক অনুৰাধা শৰ্মা পুজাৰীয়ে কয় যে ড০ ভূপেন হাজৰিকাই জীৱনৰ কঠিন সময়ত কলকাতালৈ গৈছিল আৰু কলকাতাবাসীয়ে তেওঁক হৃদয়ত স্থান দিছিল। তেওঁ কয় যে শিল্পীগৰাকীয়ে ভৌগলিক সীমা অতিক্ৰম কৰি পাহাৰ ভৈয়াম একাকাৰ কৰি সমন্বয়ৰ আদৰ্শ প্ৰতিষ্ঠা কৰি থৈ গৈছে। ০০০০

০০০০০

কাইলৈৰ পৰা সংসদৰ বাজেট অধিৱেশন অনুষ্ঠিত হ'ব। ২ এপ্ৰিলত এই অধিৱেশনৰ সামৰণি পৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনক উদ্দেশি দিয়া ভাষণেৰে অধিৱেশন মুকলি কৰা হ'ব। কাইলৈৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ অধিৱেশনৰ প্ৰথম পৰ্যায় আৰু ৯ মাৰ্চৰ পৰা ২ এপ্ৰিললৈ দ্বিতীয় পৰ্যায়ৰ কাম-কাজসমূহ চলিব। পহিলা ফেব্ৰুৱাৰীত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব।

বাজেট অধিৱেশনৰ পূৰ্বে কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কেতবোৰ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় বিষয়ৰ লগতে সদনৰ কাম-কাজ সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে আজি দিনৰ ১১ বজাত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰে। এই বৈঠকত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অধ্যক্ষতা কৰে। কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজু, সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু ড° এল মুৰুগান এই বৈঠকত উপস্থিত থাকে।

০০০০০

অসম সাহিত্য সভাৰ আজীৱন সভ্য, চিৰাং জিলা সাহিত্য সভা আৰু বিজনী শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অসম গণ পৰিষদৰ বিজনী বিধান পৰিষদৰ প্ৰাক্তন সভাপতি তথা অৱসৰী প্ৰধান শিক্ষক হৰিলাল বায়নৰ আজি বিয়লি বিজনীৰ নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৩ বছৰ।

০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃ